# ASSAMESE

## (Compulsory)

*Time Allowed : Three Hours* | *Maximum Marks : 300*

**QUESTION PAPER SPECIFIC INSTRUCTIONS**

**Please read each of the following instructions carefully before attempting questions.**

All questions are to be attempted.

The number of marks carried by a question is indicated against it.

Answers must be written in **ASSAMESE** unless otherwise directed in the question.

Word limit in questions, wherever specified, should be adhered to and if answered in much longer or shorter than the prescribed length, marks may be deducted.

Any page or portion of the page left blank in the answer book must be clearly struck off.

---

Q.1. **তলৰ প্ৰতিটো বিষয়ৰে ৩০০ কৈ শব্দৰ ভিতৰত চমু ৰচনা লিখাঁ :—** **50×2=100**

Q. 1(a) আমি কৰ্মত জীয়াই থাকোঁ বছৰত নহয়। 50

Q. 1(b) সময়ত ন্যায় নকৰাকৈ কোনো সমাজ তিষ্ঠি থাকিব নোৱাৰে। 50

Q.2. **তলৰ দফাটি সাবধানে পঢ়াঁ আৰু ইয়াৰ ভিত্তিত তলৰ প্ৰশ্নবোৰৰ উত্তৰ স্পষ্ট, শুদ্ধ আৰু চমু ভাষাত লিখাঁ :—** **6×10=60**

সাংবাদিকসকলৰ সহমতহীনতা কথাটো প্ৰশাসকসকলৰ বাবে সুখৰ বিষয় হৈ পৰে, যাৰ অৰ্থ হ'ল বহুমত প্ৰকাশে প্ৰেছৰ ক্ষমতা দুৰ্বল কৰে আৰু শিথিল কৰে। ই প্ৰেছৰ সবাতোকৈ ডাঙৰ মতো নহয় আৰু শ্ৰুতাসকলৰ মাজতো এটা বৃহৎ বৃত্তৰ গঢ় দিব নোৱাৰে যিটোৰ জৰিয়তে খবৰ কাগজৰ প্ৰভাব জোখিব পাৰি। প্ৰেছৰ শক্তি বোলা কথাটো এটা ভ্ৰম বস্তু আৰু ই খবৰ কাগজ বিক্ৰী কৰি ধন উপাৰ্জন কৰা সকলৰো নহয় আৰু খবৰ কাগজ বৃহৎভাবে প্ৰচাৰ কৰি কৃতকাৰ্য হোৱা সকলৰো নহয়।

জনসাধাৰণে খবৰ কাগজৰ ভিন্নতা, মিছা প্ৰশংসা আৰু দুৰ্বলতাৰ কথা জানিও যে খবৰ কাগজখন কিনি পঢ়ে, প্ৰচাৰত সহায় কৰে সেয়ে প্ৰচাৰ হ'ল জনসাধাৰণৰ দান। ই যেন চিনেমাৰ 'Box office appeal' হে। চিনেমাখন প্ৰভাবশালী কৰাৰ বৈচিত্ৰ্য থাকে প্ৰদৰ্শিত চৰিত্ৰৰ উচ্চমানৰ বহুগুণৰ ওপৰত। এখন চিনেমা ব্যৱসায়িকভাবে সফল হোৱা আৰু কলা কৌশল, উৎকৃষ্টতাৰ দিশত সফল হোৱা দুয়োটা একে নহয়। কলা কৌশলক প্ৰশংসা কৰিবৰ বাবে যিটো সামগ্ৰীৰ আৱশ্যক তাক দৰ্শকৰ বিশাল সমাগমৰ

মাজত বিচাৰি পোৱা নাযায়। ই এটা সংগ্ৰহহে যিটোৰ সীমাবদ্ধতা আছে আৰু ই 'নিৰ্বাচিত' লোকৰ মাজতহে সীমিত, যাৰ সংখ্যা শক্তিশালী নহয়। বুজাৰ ক্ষমতা থকা সূক্ষ্ম ৰুচিসম্পন্ন ভাল অংশ তথা দেৱতাৰ অৱদানপ্ৰাপ্ত নিৰ্দিষ্ট সংখ্যক আৰু অপ্ৰশিক্ষিত উপভুগীসকলৰ মাজত ক্ষমতাৰ সংঘাত আছে। খবৰ কাগজ আৰু চিনেমাৰ মূল উদ্দেশ্যই হ'ল শেহৰ বিধক শিক্ষা দিয়া। দুয়োবিধৰে প্ৰচেষ্টাৰ আৰ্হি একেধৰণৰ। অতিক্ৰম কৰিব বিচৰা লোভবোৰো একেবোৰেই।

(i) কোন দুটা বস্তুৰ লগত লেখকে তুলনা কৰিছে ? 10

(ii) খবৰ কাগজ সম্পৰ্কে জনসাধাৰণৰ প্ৰতিক্ৰিয়া কেনে আৰু কেনেকৈ বিবেচনা কৰে ? 10

(iii) 'সামগ্ৰী' শব্দটোৰে লেখকে কি বুজাব খুজিছে ? 10

(iv) লেখকৰ মতে খবৰ কাগজৰ উদ্দেশ্য কি হোৱা উচিত ? 10

(v) কোনবোৰ লোকক লেখকে নামঞ্জুৰ কৰিছে ? 10

(vi) কেনেকৈ খবৰ কাগজ এখনৰ মানদণ্ডৰ ছবি ম্লান হব পাৰে ? 10

Q.3. **তলত দিয়া দফাটিৰ সাৰাংশ এক-তৃতীয়াংশ শব্দৰ ভিতৰত লিখাঁ। শিৰোনাম দিয়াৰ আৱশ্যক নাই। (নিৰ্দিষ্ট সংখ্যক শব্দৰ ভিতৰত লিখিব নোৱাৰিলে নম্বৰ কটা যাব পাৰে) :—** **60**

সাম্প্ৰতিক কালৰ বিশ্বত 'nation' আৰু 'nation-state' ধাৰণা দুটাৰ মাজত ব্যাপক খেলিমেলি লক্ষ্য কৰা যায়। আপেক্ষিকভাৱে 'nation-state' ধাৰণাক ব্যাখ্যা কৰিবলৈ সহজ; ইবোৰ হ'ল বিশ্বৰ ৰাজনৈতিক সংস্থাৰ প্ৰধান একক। ইবোৰক প্ৰায়ে সাৰ্বভৌম ৰাষ্ট্ৰ বুলিও পৰিচয় দিয়া হয়; ইবোৰ হ'ল ৰাষ্ট্ৰসংঘত আসনপ্ৰাপ্ত এটা একক বা unit। ইংৰাজীত ইবোৰক 'Country' বুলি বুজোৱা হয়। আমি যদি ইবোৰক বুজাবলৈ 'States' শব্দটো ব্যৱহাৰ কৰিলোঁহেতেন তেন্তে ই বেচি সুবিধাজনক হ'লহেতেন, কিন্তু দুৰ্ভাগ্যক্ৰমে বহুতো 'nation-states' এ 'nation-state' তকৈ ক্ষুদ্ৰ ৰাজ্যক বুজাবৰ বাবে 'states' শব্দটো ব্যৱহাৰ কৰিছে।

এইটো দেখা যায় যে বহুতো সময়ত 'nation-states' আৰু 'sovereign states' ক সমকক্ষ বুলি কোৱা হয়। কিন্তু ই বিভ্ৰান্তিকৰ, বৰ্ত্তমান ত্বৰান্বিত সাৰ্বভৌম ৰাষ্ট্ৰৰ ক্ষেত্ৰত। 'nation states' এ স্বভাৱতে আন্তৰাষ্ট্ৰীয় সংস্থাৰ ওচৰত তেওঁলোকৰ সাৰ্বভৌম ক্ষমতা অলপ হলেও সমৰ্পণ কৰে — ইয়াৰ উদাহৰণ ৰাষ্ট্ৰসংঘ — ই 'nation state' ৰ ক্ষমতা আহৰণ কৰে কিন্তু ই পাৰস্পৰিক নহয়। State বোৰৰ লগত কামকাজ চলাওঁতে ক্ষমতাৰ সম্পৰ্ক আৰু চুক্তিৰ ক্ষেত্ৰত জটিলতা আছে। কোনো ক্ষেত্ৰত ডাঙৰ 'state' ক সৰহ ক্ষমতা প্ৰদান কৰে আৰু আনহাতেদি 'small states' বোৰ কাষৰীয়া শক্তিশালী 'states' ৰ অধীনত অথবা আন্তৰাষ্ট্ৰীয় সংস্থাৰ অধীনত থাকি যায় আৰু বাস্তৱতে স্বাধীনভাৱে কাম কৰাৰ কোনো সুবিধা নেথাকে।

বহুতো 'nation states' এ নিজকে 'nations' বুলি বৰ্ণনা কৰে, গতিকে কিয় আমি 'nation states' আৰু 'nations' একে বুলি কব নোৱাৰো ? এইটো সম্ভৱ নহয় কিয়নো এখন 'nation states' ক আইনগতভাৱে ব্যাখ্যা কৰা হয়, এটা 'nation' হ'ল জনসংখ্যা। যেতিয়া আধুনিক জনসংখ্যাই নিজকে এটা 'nation' হিচাপে বিবেচনা কৰি 'nation state' আহৰণ কৰিবৰ বাবে বাঞ্ছা কৰে তেতিয়াই ই

সংলগ্ন হৈ পৰে আৰু তেনে অৱস্থাত ইয়াক নির্দ্ধাৰণ কৰাৰ প্রয়োজন হয়। বহুতো মন্তব্যকাৰীয়ে এই কথাত সহমত পোষণ কৰে যে পূর্বৰ Soviet Union ৰ সৰহভাগ জনসংখ্যাই, যেনে Georgians, Lithuanians আৰু Ukrainians – স্বাধীনতাৰ পূর্বে এই সকলোৱেই 'nations আছিল আৰু এই সকল জনসংখ্যাক state হিচাপে, অঞ্চল হিচাপে ব্যাখ্যা কৰা হৈছিল – যেনে Scotland যাক সৰহভাগেই 'nation' ৰ মর্য্যাদা দিব বিচাৰে। সুকীয়াকৈ কবলৈ গলে স্বায়ত্বৰ বাবে বাঞ্ছাকাৰী বা স্বাধীনতা যথেষ্ট। ৰাজনীতিত যদিও 'nation state' ৰ ওপৰুৱা তুলনা বহু পুৰণি তথাপি বহুদূৰ ওভতি চালে বিশ্বৰ কিছু অংশত, যেনে চীনদেশ, ভাৰত আৰু ভূমধ্যসাগৰীয় উপত্যকাত – এই প্রাচীন সংস্থাবোৰে মূলত ইয়াক নিয়ন্ত্রণ কৰিব পাৰিছিল। ৰাজনীতিৰ এই প্রাচীন ৰূপবোৰ বিকশিত হ'ল অথবা আধুনিক 'nation states' এ লাহে লাহে এই ধাৰণা সলনি কৰিলে আৰু আধুনিক কালত নতুন ধাৰনাই তীব্র ৰূপত খোপনি পুতিলে। অষ্ট্রো-হাংগেৰীয়ান, ৰাচিয়ান, আৰু ওট্টোমান সাম্রাজ্য 1917—1918 চনলৈকে আছিল আৰু সিবোৰ আছিল স্পষ্টভাবে dynastic empires য'ত জনসাধাৰণৰ জাতীয় পৰিচয়ৰ অংশীদাৰৰ ধাৰণাই নাছিল, আৰু Soviet Union, যাৰ ৰুছ সাম্রাজ্য বিভিন্ন পৰম্পৰাৰে 1991 চনলৈকে চলিছিল — ই আছিল এখন state য'ত বহুতো nation আছিল। আনকি আজিও বহুতো উদাহৰণ দিব পাৰি য'ত nation-states আৰু nation সহজে একেলগে নাই। এখন 'nation states' চৰকাৰে সাম্রাজ্যখন যেতিয়া 'nation' বুলি আখ্যা দিয়ে তেতিয়া বহুতো ৰাজ্যৰ জনসাধাৰণে ৰাজ্যই আগবঢ়োৱা nation পৰিচয়টো গ্রহণ নকৰে। বৃটেইনত বহুতো স্কট আৰু ৱেলছে অনুভৱ কৰে যে তেওঁলোক বৃটিছ 'nation' বুলি কোৱাতকৈ স্কট বা ৱেলছহে বা তেওঁলোক Scottish-British বা Welsh-British 'nation' হে।

আৰব দেশতো বহুতে অনুভব কৰে যে তেওঁলোক 'Arab nation' ৰহে বহুতে ভবাৰ দৰে ইৰাকৰ পৰা মোৰাক্কো আৰু তাৰ পিছত দক্ষিণ য়েমেন নহয়।

বহুতো লোকৰ বাবে এটা জনগোষ্ঠীৰ (non national) পৰিচয় ইমান শক্তিশালী যে ই ৰাজ্যখনৰ জাতীয় পৰিচয় দিব পাৰে, ইমান দুর্বল যে ই বাস্তৱতে অলাগতিয়াল। আমি ইয়াত First American বা African জনগোষ্ঠীয় সদস্যৰ উদাহৰণ দাঙি ধৰিব পাৰোঁ।

যদিও nation states আৰু nation একে নহয় তথাপি এই দুয়োটাৰ মাজত নেৰানেপেৰা সম্বন্ধ। Anthony Smith এ (বিশেষভাবে Smith ৰ 1991 দ্রষ্টব্য) nation ক ভাগ কৰিছে এইদৰে – জনগোষ্ঠীৰ পৰা বিকশিত—যিটো ৰূপান্তৰিত আৰু জনগোষ্ঠীয় পৰিচয়ৰে সম্প্রসাৰিত—বৃহৎ জনসংখ্যাৰে সৈতে আৰু বিশেষ এখন State ত জাতীয় পৰিচয়ৰ ধাৰণাৰে ভিন্ন জনসংখ্যাৰ মাজত সর্বজনগ্রাহ্য এটি ধাৰণা। **(412 শব্দ)**

**Q.4. তলৰ কথাখিনি অসমীয়ালৈ অনুবাদ কৰাঁ :— 20**

Raman completed school when he was just eleven years old and spent two years studying in his father's college. When he was only thirteen years old, he went to Madras (which is now Chennai) , to join the B.A. course at Presidency College. Besides being young for his class, Raman was also quite unimpressive in appearance and recalls, '.....in the first

English class that I attended, Professor E.H. Elliot addressing me, asked if I really belonged to the junior B.A. class, and I had to answer him in the affirmative'. He, however, stunned all the sceptics when he stood first in the B.A. examinations.

Seeing what a brilliant student he was, his teachers asked him to prepare for the Indian Civil Services (ICS) examination. It was a very prestigious examination and very rarely did non-Britishers get through it. Yet Raman had impressed his teachers so much that they urged him to take it up at such an early age. In spite of their student's brilliance, the plan was not to work. Raman had to undergo a medical examination before he could qualify to take the ICS test and the Civil Surgeon of Madras declared him medically unfit to travel to England ! This was the only examination that Raman failed, and he would later remark in his characteristic style about the man who disqualified him, 'I shall ever be grateful to this man,' but at that time, he simply put the attempt behind him and went on to study Physics.

Q.5. **তলৰ কথাখিনি ইংৰাজীলৈ অনুবাদ কৰঁা :—** **20**

ধনক এইদৰে ব্যাখ্যা কৰিব পাৰি যে ই ক্রয় বিক্রয়ৰ জৰিয়তে সহজে ইহাতৰ পৰা সিহাতলৈ যাব পাৰে। ধনৰ ব্যৱহাৰ বিনিময় ব্যৱস্থাৰ জৰিয়তে বা কোনো বস্তৰ দ্বাৰা আদায় দি নাইকীয়া কৰিব পাৰিলেও তেনে ব্যৱস্থাত বহুতো অসুবিধা আছে কিয়নো তেনে ব্যৱস্থাত বস্তুৰ মূল্যৰ সমতা ৰক্ষাৰ অসুবিধা অথবা এটা পক্ষই আনটো পক্ষক সলাবলগীয়া বস্তুৰ ক্ষেত্রত গ্রহণযোগ্যতাৰ অসুবিধা। সৰবৰাহৰ সুবিধা কৰি ধন-পইচাই বিশেষীকৰণ আৰু শ্ৰমৰ বিভাজনত সহায় কৰে, যিটো বৃহৎ উৎপাদনৰ মূল ভেটি। ধনত যিকোনো উপাদান থাকিব পাৰে বা আইন বা প্ৰথা অনুসৰি ই যিকোনো ৰূপ লব পাৰে; কিন্তু ইয়াৰ আৱশ্যকীয় বৈশিষ্ট্য হ'ল ইয়াক সহজে আৰু বহুলভাবে গ্ৰহণীয়। প্ৰাচীন সম্প্ৰদায়সমূহে গৰু, শামুক, চাউল, চাহ বিনিময়ৰ বাবে ব্যৱহাৰ কৰিছিল কিন্তু আজিৰ সুসভ্য ৰাষ্ট্ৰবিলাকে কাগজ নাইবা ধাতু ব্যৱহাৰ কৰিছে। মুদ্ৰা বা কাগজৰ নোটবোৰে ধন বস্তুটোৰ ইপ্সিত সৰহভাগ গুণকেই ৰক্ষা কৰিব পাৰে। উদাহৰণস্বৰূপে সহজে কঢ়িয়াব পাৰি, দীৰ্ঘস্থায়ী, গুণ আৰু গ্ৰহণত সমৰূপ।. যিবোৰ ধাতু ব্যৱহাৰ কৰা হয় সেইবোৰ সোণ, ৰূপ, তাম আৰু নিকেল। নোটবোৰ বিভিন্ন পদ্ধতিত আদায় দিয়া হয়।

Q. 6(a) **তলৰ জতুৱা খণ্ডবাক্যকেইটা ব্যৱহাৰ কৰি একোটাকৈ বাক্য ৰচনা কৰঁা :—** **2×5=10**

(i) তপত ভাতৰ ধোঁৱাই ধৰা 2

(ii) নগৈ গড়গাঁৱৰ বাতৰি কোৱা 2

(iii) টৌতে খৰ মৰা 2

(iv) হাত উজান দিয়া 2

(v) তিতা কেঁহা লগা 2

Q. 6(b) তলৰ শব্দবোৰৰ অৰ্থ লিখাঁ আৰু একোটাকৈ বাক্য ৰচনা কৰাঁ :— 1×10=10

(i) হাট 1

(ii) হাত 1

(iii) পানী 1

(iv) পাণি 1

(v) টান 1

(vi) তান 1

(vii) পুথি 1

(viii) পুঠি 1

(ix) পাণ 1

(x) পান 1

Q. 6(c) অসমীয়া ভাষাৰ জতুৱা ব্যৱহাৰ দেখুৱাই তলত দিয়া বাওঁপিনৰ শব্দবোৰৰ লগত সোঁপিনৰ শব্দবোৰ সজাই লিখাঁ :— 2×5=10

| | | |
|---|---|---|
| (i) নাৰিকল | মলিয়ায় | 2 |
| (ii) কল | মুচি পেলায় | 2 |
| (iii) টিঁয়হ | কলি পেলায় | 2 |
| (iv) কঠাল | দিলিয়ায় | 2 |
| (v) আম | ডবিয়ায় | 2 |

Q. 6(d) তলৰ প্ৰবচনকেইটাৰ ভাব সম্প্ৰসাৰণ কৰাঁ :— 2×5=10

(i) শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে। 5

(ii) বাজিব লাগে টেমি কটাৰী বাজিছে পথৰুটং। 5